তাৰিখ : ১৪/১১/২০১৫

# অসম জাতীয় বিদ্যালয়ত ‘শিশু দিৱস’ উদ্‌যাপন

গুৱাহাটী ১৪ নৱেম্বৰ : ‘পণ্ডিত জৱাহৰলাল নেহৰু’ৰ ওপজা দিনৰ লগত সংগতি ৰাখি নুনমাটিত অৱস্থিত অসম জাতীয় বিদ্যালয়ত ১৪ নৱেম্বৰ তাৰিখে ‘শিশু দিৱস’ উদ্‌যাপন কৰা হয়। এই বিশেষ দিনটোতে বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰপৰা নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা লিখিত আৰু সম্পাদিত ‘হাতেলিখা আলোচনী’ লগতে ‘শিল্পকলা’ বিষয়ৰ এখনি প্ৰদৰ্শনীৰো অনুষ্ঠিত কৰা হয়। এই প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে পাণ্ডু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট লেখক শ্ৰীযুত ভৱানী প্ৰসাদ অধিকাৰীয়ে। শ্ৰীযুত অধিকাৰীয়ে শিশু প্ৰিয় জৱাহৰলাল নেহৰুৰ বিভিন্ন উদাহৰণ দাঙি ধৰি শিশুসকলক একোপাহি ফুলৰ লগত তুলনা কৰে আৰু ‘হাতেলিখা আলোচনী’ৰ লগত জড়িত শিক্ষাৰ্থীসকলক প্ৰসংশা কৰাৰ লগতে সকলোৰে উজ্জ্বল ভৱিষ্যত কামনা কৰে। তদুপৰি পুৱা ৯ বজাৰপৰা অংকুৰ, প্ৰাক্-প্ৰাথমিক আৰু প্ৰথম শ্ৰেণীৰ শিশুসকলৰ মাজত ‘ভেশচন’ প্ৰতিযোগিতা, দ্বিতীয়ৰপৰা পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত ‘ছবি অঁকা’ আৰু ‘আকস্মিক বক্তৃতা’ প্ৰতিযোগিতা, ষষ্ঠৰপৰা নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত বিভিন্ন বিষয়ক ‘সাহিত্য’ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়